**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-Aug-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা শুভাৰম্ভ কৰিব। শ্ৰীশ্বাহে কাইলৈ খানাপাৰা খেলপথাৰত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। সন্মিলনৰ পূৰ্বে শ্ৰী শ্বাহে অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

oooooo

অসম মন্ত্ৰীসভাই আন্তঃধৰ্মীয় ভূমি ক্ৰয়-বিক্ৰয়ৰ নতুন বিশেষ কাৰ্যবিধি অৰ্থাৎ এছ অ' পিত অনুমোদন জনাইছে। কালি বিয়লি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত তেওঁ এইকথা প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে দুটা ভিন্ন ধৰ্মৰ ব্যক্তিৰ মাজত ভূমি হস্তান্তৰকৰণৰ ক্ষেত্ৰত চৰকাৰৰ বিশেষ অনুমোদনৰ প্ৰয়োজন হ'ব বুলি ইতিমধ্যে লোৱা সিদ্ধান্ত কাৰ্যকৰীকৰণ কৰা হৈছে। এতিয়াৰে পৰা অন্য ধৰ্মৰ লোকক ভূমি ক্ৰয়-বিক্ৰী কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ অনুমোদনৰ প্ৰয়োজন হ'ব। তেওঁ লগতে কয়, যে ভূমি বিক্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হ'ব। ভূমি ক্ৰয় কৰা বা বিক্ৰী কৰা লোকৰ আয়ৰ উৎসৰ ওপৰতো দৃষ্টি ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আনহাতে, একে ধৰ্মৰ লোকৰ মাজত ভূমিৰ বেচা কিনাৰ ক্ষেত্ৰত নতুন এছ অ' পি প্ৰযোজ্য নহয় বুলি তেওঁ কয়। ৰাজ্যৰ বাহিৰৰ এন জি অ'ই ভূমি ক্ৰয়ৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। নতুন এছ অ' পি অনুসৰি ভূমি বিক্ৰীৰ বাবে দাখিল কৰা আবেদন চক্ৰ বিষয়াই জিলা আয়ুক্তলৈ প্ৰেৰণ কৰিব। জিলা আয়ুক্তৰ জৰিয়তে এই আবেদন ৰাজহ বিভাগে লাভ কৰাৰ পাছত অসম আৰক্ষীৰ বিশেষ শাখাৰ পৰা সেই সন্দৰ্ভত প্ৰতিবেদন বিচৰা হ'ব। পৰৱৰ্তী কাৰ্যসূচীত আৰক্ষীৰ বিশেষ শাখা সংশ্লিষ্ট ভূমি বিক্ৰীৰ আবেদনৰ তথ্য পৰীক্ষা কৰিব।

কালিৰ বৈঠকত অসম উদ্যানশস্য উন্নয়ন লিমিটেডৰ কৰ্মচাৰীসকলক স্বেচ্ছামূলক অৱসৰ দিয়াৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। কৰ্মচাৰীসকলক প্ৰাপ্য আদায়ৰ বাবে মন্ত্ৰীসভাই ৬ কোটি টকা মঞ্জুৰি দিয়ে। মন্ত্ৰীসভাই ৯৬৯

কোটি টকা ব্যয় সাপেক্ষ ৪টা বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনায়। এই বিনিয়োগৰ জৰিয়তে ২ হেজাৰ ৭০৪টা নিয়োগ সৃষ্টি হ'ব।

বিটিচি নিৰ্বাচনৰ নিৰ্বাচনী অধীসূচনাৰ বাবে সৰুসজাইত হৈ যোৱা ঝুমইৰ বিনন্দিনীত অংশ লোৱা শিল্পীসকলক অহা ১২ অক্টোবৰত মাননী প্ৰদান কৰাত মন্ত্ৰীসভাই অনুমোদন জনায়।

ইপিনে, উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ৮ ছেপ্তেম্বৰৰ পৰিৱৰ্তে ১৩ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব বুলি সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ১৩ ছেপ্তেম্বৰত বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানত অংশ ল'ব। তেওঁ ১৪ ছেপ্তেম্বৰত নুমলীগড় আৰু মঙলদৈত আয়োজিত কাৰ্যসূচীত অংশ ল'ব।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন চিকিৎসা শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয়ক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰৰূপে এই স্বীকৃতি প্ৰদান কৰাৰ ফলত চিকিৎসা মহাবিদ্যালয়খনে সমগ্ৰ দেশৰ চিকিৎসা আৰু স্বাস্থ্যক্ষেত্ৰত নিজৰ নাম উজ্বলাই তুলিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য ৰাষ্ট্ৰীয় বিৰল ৰোগ নীতি ২০২১ৰ অধীনত এই স্বীকৃতি প্ৰদান কৰা হৈছে। এই সন্মানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু দেশৰ ১৫ খন উৎকৃষ্ট কেন্দ্ৰৰ ভিতৰত এখন হিচাপে অসম চিকিৎসা মহাবিদ্যালয়ক চিকিৎসা সেৱা আৰু গৱেষণাৰ ক্ষেত্ৰখনত নতুন মাত্ৰা প্ৰদান কৰিলে।

০০০০০০

ধেমাজি জিলাত ৰূপায়িত উন্নয়নমূলক প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে কালি জিলাখনত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে অলপতে ধেমাজি, চিচিবৰগাওঁ আৰু জোনাই বিধানসভা সমষ্টিৰ উন্নয়ন সন্দৰ্ভত পৰ্যালোচনা কৰাৰ পাছতে মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ বিষয়াসকলে কালি এই অগ্ৰগতিৰ বুজ লয়। বৈঠকত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, জিলা উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰৰয় প্ৰমুখ্যে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

সমাপ্ত